**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 11-08-2025 **Time :** 0755Hrs.

# Assamese Morning Bulletin

ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা সংযোজন কৰা হ'ব। কাইলৈ কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। পৰহিলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৪৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০০০

জনজাতিকৰণ, খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা আৰু অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীৰে টাই আহোম ছাত্ৰ সন্থাই কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ সাব্যস্ত কৰে। ধেমাজি চাৰিআলিত কালি ৰূপায়ণ কৰা কাৰ্যসূচীত দুই শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰে।

ডিব্ৰুগড় জিলাত জনজাতিকৰণৰ দাবীত টাই আহোম ছাত্ৰ সন্থাই কালি সন্ধিয়া জোৰ সমদল উলিয়ায়। ডিব্ৰুগড়ৰ পুৰণি চৰকাৰী হাইস্কুলৰ খেলপথাৰৰ পৰা আটাছুৰে সমদল উলিয়াই জনজাতিকৰণৰ লগতে স্বায়ত্ত শাসনৰ বাবেও দাবী উত্থাপন কৰে।

শিৱসাগৰতো ঐতিহাসিক শিৱদৌলৰ সন্মুখৰ পৰা সদৌ অসম টাই আহোম ছাত্ৰ সন্থাই খিলঞ্জীয়াক ভূমি পট্টা প্ৰদানকে ধৰি বিভিন্ন দাবীৰে জোৰ সমদল উলিয়ায়। বিধানসভা নিৰ্বাচনৰ পূৰ্বে চৰকাৰক ৬ জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টোত গুৰুত্ব দিবলৈ সদৌ টাই আহোম ছাত্ৰ সন্থাই দাবী কৰে।

০০০০০০০

যোৱা ৩ আগষ্টৰ পৰা অনুষ্ঠিত **তেজপুৰ ভাওনা সমাৰোহ ২০২৫**ৰ কালি সামৰণি পৰে। সামৰণিৰ দিনা কালি বিশেষ ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। জামুগুৰিহাটৰ চেচা সত্ৰৰ সত্ৰাধিকাৰ ভৱদেৱ গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত এই সভাত বৰালীমৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শোভন মহন্তই কয়, যে গুৰুজনাই সত্ৰ নামঘৰ পৰিচালনাৰ লগতে শৰন-ভজনৰো ব্যৱস্থা কৰিছিল। ধৰ্মান্তৰকৰণ সন্দৰ্ভত ডেকা সত্ৰাধিকাৰগৰাকীয়ে কয়, যে গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সমাজখনত বিভাজনৰ পৰিৱৰ্তে জাত-পাত, অস্পৃশ্যতা আদি পৰিহাৰ কৰা উচিত। এই সভাতে তেজপুৰৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ মুঠ ২২ গৰাকী সত্ৰীয়া সংস্কৃতিৰ সৈতে জড়িত ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ভাওনা সমাৰোহৰ লগত সংগতি ৰাখি অনুষ্ঠিত সত্ৰীয়া নৃত্য, বৰগীত, দিহা নাম প্ৰতিযোগিতাত স্থান দখল কৰা সকলক বঁটা প্ৰদান কৰা হয়। ভাওনাৰ অন্তিম নিশা অভিমন্যু বধ ভাওনা মঞ্চায়ন কৰা হয়।

০০০০০০০

সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত আৰু নগাঁও জিলা পুথিভঁৰাল সন্থাৰ সহযোগত কালি নগাঁৰত সন্থাৰ মুখ্য কাৰ্যালয়ত পুথিভঁৰাল দিৱস উদযাপন কৰা হয়। পুথিভঁৰাল বিজ্ঞানৰ পিতৃস্বৰূপ ড০ শিৱালী

ৰামমৃত ৰংগনাথনৰ জন্ম দিনৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ১০ আগষ্টৰ দিনটো পুথিভঁৰাল হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কালি স্বচ্ছ ভাৰত আৰু গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ পাছতে পুথিভঁৰাল আইন আৰু পুথি অধ্যয়ন সম্পৰ্কীয় এখন মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হয়। উল্লেখযোগ্য যে সন্থাৰ স্বীকৃতি প্ৰাপ্ত জিলা, মহকুমা সন্থাৰ উদ্যোগতো অসমৰ বিভিন্ন জিলাত কালি পুথিভঁৰাল দিৱস উদযাপন কৰা হয়।

স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূল কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। বিশেষকৈ পাইপলাইন, ৰে'ল পথ, ৰে'ল ষ্টেচন, বাছ আস্থান, দলং আদিৰ দৰে স্পৰ্শকাতৰ স্থানসমূহত নিৰাপত্তাৰক্ষীয়ে কঠোৰ দৃষ্টি ৰাখিছে। একেদৰে অসম সংলগ্ন আন্তঃৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক সীমান্ততো কটকটীয়া নিৰাপত্তা গঢ়ি তোলা হৈছে। উজনি অসমৰ পাঁচখন জিলা ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউক সামৰি ইতিমধ্যে আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই বৈঠক অনুষ্ঠিত কৰাৰ লগতে এই জিলাকেইখনত যাতে উগ্ৰপন্থীয়ে কোনোধৰণৰ কুটাঘাট সংঘটিত কৰিব নোৱাৰে তাৰ প্ৰতি বিশেষ নজৰ ৰাখিছে। ৰে'ল কৰ্তৃপক্ষকো ৰে'ল পথ আৰু মূল ষ্টেচনত অতিৰিক্ত নিৰাপত্তাৰক্ষী মোতায়েন কৰিবলৈ কোৱা হৈছে। গুৱাহাটী মহানগৰীত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱা সংস্থাই মহানগৰ  আৰক্ষীক তথ্য দিয়াৰ পাছতে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে কেইবাখনো বৈঠকৰ আয়োজন কৰি বিষয়টো সন্দৰ্ভত পৰ্যালোচনা কৰিছে।

০০০০০০০

সমাগত স্বাধীনতা দিৱসৰ পূৰ্বে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ত্ৰিৰংগ যাত্ৰা উলিওৱা হৈছে। বিশ্বনাথ জিলাত কালি বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, সাকোমাথা মণ্ডল বিজেপিৰ সভাপতি ৰঞ্জন ৰাউতিয়াকে ধৰি প্ৰায় তিনি শতাধিক লোকে এই ত্ৰিৰংগ যাত্ৰাত অংশ লয়। ডিব্ৰুগড় জিলাতো কালি মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকনৰ নেতৃত্বত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। ডিব্ৰুগড় পশ্চিম মণ্ডল বিজেপিৰ উদ্যোগত উলিওৱা এই ত্ৰিৰংগ যাত্ৰাত বহুসংখ্যক লোকে দেশপ্ৰেমমূলক ধ্বনি আৰু শ্ল'গানেৰে শোভাযাত্ৰা কৰে।

০০০০০০০

**সমাপ্ত**